**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-09-2024 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ এশ দিন পূৰ হোৱাৰ সৈতে সংগতি ৰাখি বিকশিত ভাৰতৰ পথত অগ্ৰসৰ হোৱাৰ উপলক্ষে চৰকাৰে **মধ্যবিত্ত শ্ৰেণীৰ সৱলীকৰণ**ৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই প্ৰসংগত কয় যে, আধুনিক আন্তঃগাঁথনি গঢ়ি তোলাৰ লগে লগে দেশত নিয়োগৰ সুযোগ বৃদ্ধিৰ জৰিয়তে দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ সৱলীকৰণ বৃদ্ধি হোৱা দেখা গৈছে। মধ্যবিত্ত শ্ৰেণীৰ সৱলীকৰণৰ ক্ষেত্ৰত চৰকাৰে বহিঃৰাষ্ট্ৰৰ প্ৰতিষ্ঠানৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ লগতে স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ বাবে ৭৫ হাজাৰ নতুন চিকিৎসা বিজ্ঞানৰ আসন সংযোজন কৰিছে। আনহাতে প্ৰধানমন্ত্ৰী আৱাস যোজনা নগৰৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ ২ দশমিক ৩ - ০ লাখ কোটি টকা ৰাজ সাহায্যৰে এক কোটি নগৰীয়া গৃহ নিৰ্মাণ কৰা হৈছে। একেদৰে **পি এম সূৰ্য ঘৰ** যোজনাৰ অধীনত ৩ লাখ ৫ হাজাৰ ঘৰত সৌৰ ব্যৱস্থা স্থাপন কৰাৰ জৰিয়তে মধ্যবিত্ত শ্ৰেণীৰ সঞ্চয় বৃদ্ধি কৰাৰ প্ৰয়াস কৰা হৈছে। মুদ্ৰা ঋণ ১০ লাখৰ পৰা ২০ লাখলৈ বৃদ্ধি কৰি ঔদ্যোগিকৰণৰ ক্ষেত্ৰতো উত্থান ঘটোৱা হৈছে। ইফালে ইউনিফাইড পেঞ্চন আঁচনিৰ অধীনত ২৩ লাখ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীক ৫০ শতাংশ পেঞ্চনৰ নিশ্চয়তা প্ৰদান কৰাৰ লগতে অৱসৰপ্ৰাপ্ত প্ৰতিৰক্ষা কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালৰ কল্যাণ নিশ্চিত কৰিবৰ বাবে এটা পদবী, এটা পেঞ্চন আঁচনিৰ সংশোধন কৰা হৈছে। নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালত ৰাজহুৱা পৰীক্ষা আইন প্ৰৱৰ্তনকে ধৰি মেট্ৰ' প্ৰকল্প, ইলেকট্ৰনিক বাছ আদি বিভিন্ন ব্যৱস্থাৰ জৰিয়তে মধ্যবিত্ত শ্ৰেণীৰ সৱলীকৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে।

আনহাতে, মহিলা নেতৃত্বাধীন বিকাশৰ ক্ষেত্ৰতো নৰেন্দ্ৰ মোদী চৰকাৰে বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰিছে। শিক্ষা, উদ্যমিতা, কৃষি, প্ৰযুক্তি আৰু অন্যান্য ক্ষেত্ৰৰ পদক্ষেপৰ জৰিয়তে চৰকাৰে মহিলাসকলক সৱলীকৰণ কৰিবলৈ বদ্ধপৰিকৰ হৈছে।

০০০০০০০০

ৰাজ্যত বিগত কেইবাদিনো ধৰি গৰমৰ প্ৰকোপ অব্যাহত আছে। স্বাভাৱিক তাপমাত্ৰা চাৰিৰ পৰা পাঁচ ডিগ্ৰী চেলছিয়াছলৈ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যবাসীয়ে অস্বস্তিকৰ পৰিৱেশৰ মাজেৰে দিন পাৰ কৰিবলগীয়া হৈছে। গুৱাহাটীৰ বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা অনুসৰি সম্প্ৰতি ৰাজ্যৰ বিভিন্ন অঞ্চলত গ্ৰীষ্ম প্ৰবাহৰ মাত্ৰা অত্যধিক হাৰত বৃদ্ধি পাইছে। বিগত দিনকেইটাত তাপমাত্ৰা ৩৭ৰ পৰা ৩৮ ডিগ্ৰী চেলছিয়াছ হৈছে যদিও জলবায়ুৰ আৰ্দ্ৰতাৰ বাবে ৪৫ৰ পৰা ৪৮ ডিগ্ৰী চেলছিয়ালছলৈ গৰম অনুভূত হৈ আহিছে। আজি এই তাপমাত্ৰা নূন্যতম ২৭ ডিগ্ৰীৰ পৰা সৰ্বাধিক ৩৭ ডিগ্ৰী পৰ্যন্ত হোৱাৰ সম্ভাৱনা আছে।

ইফালে, ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজিৰে পৰা অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু ওড়িশাৰ কিছু কিছু অংশত প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে।

০০০০০০০০

বিশিষ্ট শিশু সাহিত্যিক নূপুৰ মোমাইদেউ ছদ্মনামেৰে শিশু সাহিত্য ৰচনা কৰি অহা ত্ৰৈলোক্য ভট্টাচাৰ্যক শিশু আলোচনী চোতালৰ পখিলাৰ তৰফৰ পৰা চলিত বৰ্ষৰ চোতালৰ পখিলা ৰজত বৰুৱা স্মৃতি শিশু সাহিত্য বঁটা প্ৰদান কৰা হৈছে। গুৱাহাটীৰ বিষ্ণু নিৰ্মলা শিশু পুঁথিভৰাল প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত কালি এই বঁটা প্ৰদান কৰা হয়। কমেও ১৫খন শিশু উপযোগী গ্ৰন্থৰে অসমীয়া শিশু সাহিত্যৰ ভৰাঁল চহকী কৰা লেখকগৰাকীয়ে শিশু আলোচনী সঁফুৰাত দীৰ্ঘদিন ধৰি নূপুৰ মোমাইদেউ নামেৰে শিশু উপযোগী ৰচনা লিখি আহিছে। এই অনুষ্ঠানতে

আকাংক্ষা তামুলীক ডাঃ দিগন্ত কুমাৰ দাস স্মৃতি শিশু সাহিত্য বঁটাৰে সন্মানিত কৰা হয়। এই অনুষ্ঠানত সাহিত্যিক হৰপ্ৰিয়া বাৰুকিয়াল বৰগোঁহাই, বন্দিতা ফুকন, ভাস্কৰ্য শিল্পী বীৰেন সিংহ, আবৃত্তিকাৰ অৰনী বৰাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

0000000

জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ আজি সন্ধিয়া সামৰণি পৰিব। এই পৰ্যায়ত ৫ খন জিলাৰ ২৬ টা বিধানসভা সমষ্টিত পৰহিলৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ভোটগ্ৰহণ অনুষ্ঠিত হ'বলগীয়া জিলাকেইখন হৈছে - জম্মু খণ্ডত ৰিয়াচি, ৰাজৌৰী আৰু পুঞ্চ। আনহাতে, কাশ্মীৰ উপত্যকাৰ নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া জিলাকেইখন হৈছে শ্ৰীনগৰ আৰু বাদগাম। উল্লেখযোগ্য যে তিনিটা পৰ্যায়ত জম্মু-কাশ্মীৰ নিৰ্বাচন অনুষ্ঠিত হৈছে।

ইফালে, দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰ গতিত চলি থকা পৰিলক্ষিত হৈছে। বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে নিৰ্বাচনী প্ৰচাৰ সভাৰ লগতে ৰোড শ্ব' অনুষ্ঠিত কৰিছে। তৃতীয় পৰ্যায়ৰ নিৰ্বাচন অহা ১ অক্টোবৰত অনুষ্ঠিত হ'ব। অহা ৮ অক্টোবৰত ভোটগণনা কৰা হ'ব।

00000000

হাংগেৰীৰ বুডাপেষ্টত অনুষ্ঠিত দবা অলিম্পিয়াদত ভাৰতীয় দবা দলটোৱে ইতিহাস ৰচিবলৈ সমৰ্থ হৈছে। প্ৰথমবাৰলৈ মুকলি শাখাত ঘৰুৱা দলটোৱে স্বৰ্ণ পদক লাভ কৰে। অন্তিম ৰাউণ্ডত ৰমেশ বাবু প্ৰজ্ঞানন্দ আৰু ডি গুকেশৰ পুৰুষ দলটোৱে শ্ল'ভেনিয়াৰ দলটোক পৰাস্ত কৰে। উল্লেখযোগ্য যে ডি হৰিকা, দিব্যা দেশমুখ, বৈশালী আৰু বন্তিকা আগৰৱালাৰ ভাৰতীয় মহিলা দলটোৱে স্বৰ্ণ পদক লাভ কৰি অন্তিম ৰাউণ্ডত আজাৰবাইজানৰ দলটোক পৰাস্ত কৰে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৪৫ সংখ্যক দবা অলিম্পিয়াডত মুকলি আৰু মহিলা দুয়োটা শাখাতে সোণৰ পদক জয় কৰা ভাৰতীয় দলটোক প্ৰশংসা কৰিছে। তেওঁ খেলুৱৈসকলক তেওঁলোকৰ উল্লেখযোগ্য কৃতিত্বৰ বাবে অভিনন্দন জনায়। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত মোদীয়ে কয় যে এই কৃতিত্বই দেশৰ ক্ৰীড়া ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰিছে। তেওঁ আশা প্ৰকাশ কৰে যে এই সফলতাই দবা খেলৰ নতুন প্ৰজন্মক খেলত পাৰদৰ্শিতা দেখুৱাবলৈ অনুপ্ৰাণিত কৰিব।

00000000

গুৱাহাটী মহানগৰীৰ সৰু মটৰীয়াত আজি সন্দেহজনকভাৱে চিলিণ্ডাৰ বিস্ফোৰণৰ ফলত অগ্নিকাণ্ড সংঘটিত হয়। এই অগ্নিকাণ্ডৰ ঘটনাত কেইবাখনো দোকান ভস্মীভূত হোৱা বুলি জানিব পৰা গৈছে।

00000000

**সমাপ্ত**